# অধ্যায়-২

# বিত্তীয় ব্যৱস্থা
# (FINANCIAL SYSTEM)

**অৰ্থ আৰু সংজ্ঞা** (MEANING AND DEFINITION) ঃ

অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানগত আৰু কাৰ্যকৰী বাহনবোৰৰ ভিতৰত এটা হ'ল বিত্তীয় ব্যৱস্থা। ই হৈছে এক বাহন যি অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ খণ্ডক প্ৰয়োজনীয় বিত্তীয় উপাদান যোগান ধৰে। ইয়ে এখন দেশৰ লোকসকলৰ কল্যাণ আৰু জীৱনধাৰণৰ মানদণ্ড বৃদ্ধি কৰে। বিত্তীয় ব্যৱস্থা হৈছে আন্তঃসম্পৰ্কিত কাৰ্যকলাপৰ এক সংহতি যি উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ ধন স্থানান্তৰ কৰাত সহায় কৰে। সৰল অৰ্থত, বিত্তীয় ব্যৱস্থাই বিনিয়োগকাৰীৰ পৰা ঋণ লওঁতালৈ পুঁজি স্থানান্তৰ কৰাত সহায় কৰে। "বিত্তীয় ব্যৱস্থা"ত "ব্যৱস্থা" শব্দটোৱে এখন দেশৰ অৰ্থনীতিৰ ভিতৰত জটিল আৰু ঘনিষ্ঠভাৱে সম্পৰ্কিত প্ৰতিষ্ঠান, প্ৰতিনিধি, প্ৰক্ৰিয়া, বজাৰ, লেনদেন, দাবী আৰু দেনাৰ এটা গোটক সূচায়।

Christy ৰ মতে, বিত্তীয় ব্যৱস্থাই "অৰ্থনীতিৰ বিভিন্ন খণ্ড আৰু কাৰ্যকলাপক এনেধৰণে পুঁজি যোগান ধৰে যি মূল্যস্তৰৰ পৰিৱৰ্তনৰ অস্থিৰ পৰিনাম বা ব্যক্তিগত আকাংক্ষাৰ সৈতে অপ্ৰয়োজনীয় হস্তক্ষেপ অবিহনে সম্পদৰ সম্পূৰ্ণ সম্ভৱ ব্যৱহাৰত সহায় কৰে।"

Robinson ৰ মতে, বিত্তীয় ব্যৱস্থাৰ প্ৰাথমিক কাম হৈছে "নতুন সম্পদ সৃষ্টিৰ বাবে সঞ্চয় আৰু বিনিয়োগৰ মাজত সংযোগ স্থাপন কৰা আৰু বিদ্যমান সম্পদৰ গাঁথনিত বিভিন্ন সম্পদৰ মাজত সমন্বয়ৰ অনুমতি দিয়া।"

**বিত্তীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ** (FEATURES OF FINANCIAL SYSTEM) ঃ

বিত্তীয় ব্যৱস্থা এটাৰ বৈশিষ্ট্যসমূহ নিম্নলিখিত ধৰণৰ—

১) **ৰাষ্ট্ৰীয় অৰ্থনীতিৰ উপাদান** (Component of national economy) ঃ বিত্তীয় ব্যৱস্থা হৈছে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ এক উপাদান যি উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ পুঁজিৰ চলাচলত সহায় কৰে।

২) **বিভাজন** (Dichotomy) ঃ বিত্তীয় ব্যৱস্থাৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে 'বিত্তীয় বিভাজন'। বিত্তীয় ব্যৱস্থাত দুটা মুখ্য খণ্ড আছে— (ক) আনুষ্ঠানিক বিত্তীয় ব্যৱস্থা আৰু (খ) অনানুষ্ঠানিক বিত্তীয় ব্যৱস্থা।

৩) **উপ ব্যৱস্থা** (Sub-system) ঃ বিত্তীয় ব্যৱস্থা হৈছে বিত্তীয় প্ৰতিষ্ঠান, বিত্তীয় বজাৰ, বিত্তীয় সঁজুলি আৰু বিত্তীয় সেৱাৰ উপ ব্যৱস্থাৰ এক জটিল সুসংহত সংহতি। এই সকলোবোৰ উপ-ব্যৱস্থাই পুঁজি স্থানান্তৰ আৰু আৱণ্টনৰ সুবিধা প্ৰদান কৰে।

৪) **সংযোগ স্থাপন** (Establish linkage) ঃ বিত্তীয় ব্যৱস্থাই সঞ্চয়কৰ্তা আৰু বিনিয়োগকাৰীসকলৰ মাজত সম্পৰ্ক স্থাপন কৰে। এনেদৰে অৰ্থনীতিত সঞ্চয় আৰু বিনিয়োগ দুয়োটাকে উৎসাহিত কৰে।

৫) **বিত্তীয় সম্পদ** (Financial assets) ঃ যিকোনো বিত্তীয় ব্যৱস্থাৰ মৌলিক উৎপন্ন বস্তু হৈছে বিত্তীয় সম্পদ। উৎপাদন বা ব্যৱহাৰৰ বাবে বা সম্পত্তিৰ অধিক সৃষ্টিৰ বাবে বিত্তীয় সম্পদ ব্যৱহাৰ কৰা হয়।

৬) **তাৰল্যতা** (Liquidity) ঃ বিত্তীয় ব্যৱস্থা এটাৰ সকলো কাৰ্যকলাপ তাৰল্যতাৰ সৈতে সম্পৰ্কিত। অৰ্থাৎ বিত্তীয় ব্যৱস্থাৰ কাৰ্যকলাপ হৈছে তাৰল্যতাৰ ব্যৱস্থা কৰা বা তাৰল্যতাৰ সহায়ত ব্যৱসায় কৰা।

৭) **বিত্তীয় সম্পদৰ আৱণ্টন** (Allocation of financial resources) ঃ বিত্তীয় ব্যৱস্থাই অতিৰিক্ত ক্ষেত্ৰৰ পৰা পুঁজি সংগ্ৰহ কৰে আৰু অৰ্থনীতিৰ বিভিন্ন উৎপাদনশীল ক্ষেত্ৰত বিত্তীয় সম্পদৰ দক্ষ আৱণ্টন বৃদ্ধি কৰে।

৮) **অৰ্থনৈতিক বিকাশত অৱদান** (Contribution to economic development) ঃ বিত্তীয় ব্যৱস্থা হৈছে ৰাষ্ট্ৰীয় অৰ্থনীতিৰ মেৰুদণ্ড। ইয়াৰ কাৰণ হৈছে বিত্তীয় ব্যৱস্থাই যি দক্ষতাৰে কাম কৰে সেইটোৱে এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিত্তীয় ব্যৱস্থাই অৰ্থনৈতিক বিকাশৰ মানদণ্ড আৰু গতি দুয়োটাকে প্ৰভাৱিত কৰে।

**বিত্তীয় ব্যৱস্থাৰ কাৰ্যসমূহ** (FUNCTIONS OF FINANCIAL SYSTEM) ঃ

বিত্তীয় সম্পদবোৰ সমগ্ৰ অৰ্থনীতিত সিচঁৰতি হৈ আছে। বিত্তীয় ব্যৱস্থাই এই বিক্ষিপ্ত সম্পদবোৰ একত্ৰিত কৰাত আৰু সেইবোৰক অৰ্থনীতিৰ উৎপাদনশীল ক্ষেত্ৰলৈ প্ৰবাহিত কৰাত সহায় কৰে। এক জীৱন্ত বিত্তীয় ব্যৱস্থাই সঠিক সময়ত অৰ্থনীতিৰ বিভিন্ন অংশত এই সম্পদবোৰ সময়মতে প্ৰয়োগ কৰাত সক্ষম কৰিব পাৰে আৰু অৰ্থনীতিৰ বিভিন্ন খণ্ডত উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰে। এই প্ৰক্ৰিয়াত বিত্তীয় ব্যৱস্থাই বিভিন্ন ধৰণৰ কাৰ্য সম্পাদন কৰে যিবোৰ নিম্নলিখিত ধৰণৰ—

১) **সঞ্চয়কৰ্তা আৰু বিনিয়োগকাৰীসকলৰ মাজত সম্পৰ্ক স্থাপন কৰা** (Establish linkage between savers and investors) ঃ বিত্তীয় ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ কাম হৈছে সঞ্চয়কৰ্তা আৰু বিনিয়োগকাৰীসকলক সংযোগ কৰা আৰু ইয়াৰ দ্বাৰা সঞ্চয়বোৰ কাৰ্যকৰী আৰু দক্ষতাৰে সংগ্ৰহ আৰু আৱণ্টন কৰাত সহায় কৰা। এনেদৰে বিত্তীয় ব্যৱস্থাই উদ্বৃত্ত আৰু অপব্যয়ী ক্ষেত্ৰৰ পৰা ঘাটি আৰু উৎপাদনশীল ক্ষেত্ৰলৈ বিত্তীয় সম্পদ স্থানান্তৰ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ ফলত দেশৰ উৎপাদনশীলতা আৰু সমৃদ্ধি বৃদ্ধি হয়।

২) **তাৰল্যতাৰ প্ৰৱৰ্ত্তন/ব্যৱস্থা** (Promotion of liquidity) ঃ বিত্তীয় ব্যৱস্থাৰ মুখ্য কাম হৈছে তাৰল্যতা আৰু পুঁজিৰ সুৰক্ষা বৃদ্ধি কৰা। ই সামগ্ৰী আৰু সেৱা উৎপাদনৰ বাবে পৰ্যাপ্ত ধন আৰু আৰ্থিক সম্পদৰ ব্যৱস্থা কৰিব লাগিব। উৎপাদনশীল উদ্যোগৰ বাবে ধনৰ কোনো অভাৱ হোৱা উচিত নহয়।

৩) **পৰিশোধৰ সুবিধা প্ৰদান** (Facilitating payments) ঃ এক দক্ষ পৰিশোধ প্ৰণালীয়ে সামগ্ৰী আৰু সেৱাবোৰ সময়মতে আৰু সুচাৰুৰূপে স্থানান্তৰ কৰাটো নিশ্চিত কৰে। পৰিশোধ প্ৰণালীক বিত্তীয় ব্যৱস্থাৰ এটা উপসংহতি হিচাপে বিবেচনা কৰিব পাৰি। ই কেইবাটাও প্ৰতিষ্ঠান যেনে— বেংক, জমাকৰ্তা প্ৰতিষ্ঠান আৰু ব্যক্তিগত কোম্পানী আদিৰে গঠিত।

৪) **বিপদাংশকাৰ আৱণ্টন** (Allocation of risk) ঃ এক দক্ষ আৰু জীৱন্ত বিত্তীয় ব্যৱস্থাৰ লক্ষ্য হৈছে গ্ৰহণযোগ্য সীমাৰ ভিতৰত বিপদাশংকা নিয়ন্ত্ৰণ কৰা। ই সঞ্চয় সংগ্ৰহ কৰা আৰু ঋণ আৱণ্টন কৰাত অন্তৰ্ভুক্ত বিপদাশংকাবোৰ সীমিত কৰে।

৫) **তথ্য পৰিচালনা** (Managing information) ঃ বিত্তীয় ব্যৱস্থাই যথেষ্ট গুৰুত্বপূৰ্ণ তথ্য উপলব্ধ কৰে, যি সামগ্ৰিকভাৱে অৰ্থনীতিৰ কল্যাণৰ বাবে গুৰুত্বপূৰ্ণ। বজাৰৰ দ্বাৰা প্ৰদান কৰা আটাইতকৈ

গুৰুত্বপূৰ্ণ তথ্যবোৰৰ ভিতৰত এটা হৈছে দৰৰ বিষয়ে। দৰৰ তথ্য হৈছে সেই আধাৰ যাৰ ওপৰত ভিত্তি কৰি সকলো অৰ্থনৈতিক তত্ত্ব বিকশিত কৰা হৈছে। এইটোৱেই আধাৰ যাৰ ওপৰত নিৰ্ভৰ কৰি সকলো অৰ্থনৈতিক সিদ্ধান্ত লোৱা হয়।

৬) **দক্ষ মধ্যস্থতাকাৰী** (Efficient middlemen) ঃ বিত্তীয় ব্যৱস্থাই এজন দক্ষ মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। বিত্তীয় ব্যৱস্থাৰ বিভিন্ন উপাদান যেনে— বিত্তীয় বজাৰ, বিত্তীয় প্ৰতিষ্ঠান, বিত্তীয় দলীল আৰু বিত্তীয় সেৱাবোৰে সঞ্চয়বোৰ কম পৰিমাণৰ লেনদেন ব্যয়ৰ সৈতে উৎপাদনশীল কাৰ্যকলাপৰ ফালে প্ৰবাহিত হোৱাত সহায় কৰে। বিত্তীয় ব্যৱস্থাত নিৰ্দিষ্ট বজাৰৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি সৃষ্টি কৰা বিভিন্ন ব্যৱস্থা থাকে।

৭) **প্ৰকল্প বাছনিত সহায় কৰে** (Helps in projects selection) ঃ বিত্তীয় ব্যৱস্থাই পুঁজি যোগান ধৰিবলৈ সঠিক প্ৰকাৰৰ প্ৰকল্প বাছনি কৰাত সহায় কৰে আৰু লগতে পৰিচালকসকলক বিনিয়োগৰ কাৰ্য কৰণ নিৰীক্ষণ কৰিবলৈ অনুপ্ৰাণিত কৰে। ই সামগ্ৰী আৰু সেৱাৰ আদান-প্ৰদানৰ বাবে এক পৰিশোধ প্ৰণালীৰ ব্যৱস্থা কৰে আৰু বিভিন্ন সময়ত আৰু বিভিন্ন ভৌগোলিক অঞ্চল আৰু উদ্যোগবোৰত অৰ্থনৈতিক সম্পদ স্থানান্তৰ কৰে।

৮) **লেনদেন আৰু ঋণৰ ব্যয় হ্ৰাস** (Reduce cost of transaction and borrowing) ঃ বিত্তীয় ব্যৱস্থাই বিত্তীয় গাঁথনি সৃষ্টি কৰাত সহায় কৰে যি লেনদেনৰ ব্যয় হ্ৰাস কৰে। সঞ্চয়কাৰীসকলক ঘূৰাই দিয়া আয়ৰ হাৰত ইয়াৰ লাভজনক প্ৰভাৱ আছে। ই ঋণ লোৱাৰ ব্যয়ও হ্ৰাস কৰে। সেয়েহে বিত্তীয় ব্যৱস্থাই অধিক বিত্তীয় সম্পদ সঞ্চয় আৰু বিনিয়োগ কৰাৰ বাবে সাধাৰণ জনতাৰ মাজত এক প্ৰেৰণাদায়ক কাৰক হিচাপে কাম কৰে।


৯) **দৰ আৱিষ্কাৰ** (Price discovery) ঃ বিত্তীয় বজাৰত ব্যৱসায় কৰা বিভিন্ন বিত্তীয় দলীলৰ দৰ আৱিষ্কাৰৰ কাম বিত্তীয় বজাৰে সম্পাদন কৰে। এই দলীলবোৰৰ ভিতৰত আছে মুদ্ৰা বজাৰৰ দলীল, ঋণ প্ৰতিভূতি, সমাংশ প্ৰতিভূতি, ডেৰিভেটিভ দলীল আৰু বৈদেশিক মুদ্ৰা দলীল। এই বিত্তীয় দলীলবোৰৰ মূল্য বজাৰৰ গতি/শক্তি অৰ্থাৎ চাহিদা আৰু যোগানৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়।

**বিত্তীয় ব্যৱস্থাৰ উপাদানসমূহ** (COMPONENTS OF FINANCIAL SYSTEM) ঃ

এটা বিত্তীয় ব্যৱস্থাই এটা ব্যৱস্থাক বুজায়, যিয়ে বিনিয়োগকাৰী আৰু ঋণ লওঁতাসকলৰ মাজত ধন স্থানান্তৰ কৰাত সহয় কৰে। আন কথাত বিত্তীয় ব্যৱস্থাই উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ পুঁজিৰ চলাচলত

সহায় কৰে। এখন দেশৰ বিত্তীয় ব্যৱস্থাত পুঁজিৰ এই চলাচল জটিল আৰু নিবিড়ভাৱে সম্পৰ্কিত প্ৰতিষ্ঠান, প্ৰতিনিধি, প্ৰক্ৰিয়া, বজাৰ, লেনদেন, দাবী আৰু দায়বদ্ধতাৰ এটা গোটৰ দ্বাৰা উজু হয়। এইবোৰক বিত্তীয় ব্যৱস্থাৰ উপাদান বুলি কোৱা হয়।

বিত্তীয় ব্যৱস্থা এটাৰ বিভিন্ন উপাদানবোৰ নিম্নলিখিত নক্সাৰ সহায়ত দেখুৱাব পাৰি—




## ক) বিত্তীয় বজাৰ (FINANCIAL MARKET) ঃ

বিত্তীয় বজাৰ হৈছে এক বিত্তীয় ব্যৱস্থাৰ অন্যতম মুখ্য উপাদান যি উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ পুঁজিৰ চলাচলত সহায় কৰে। এইখন এখন বজাৰ য'ত বিভিন্ন ম্যাদৰ পুঁজি আৰু বিত্তীয় দলীলৰ ব্যৱসায় কৰা হয়। ই হৈছে এক বজাৰ য'ত ব্যক্তি, চৰকাৰ, অৰ্ধ চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু নিগম নিকায়বোৰে চাহিদা আৰু যোগানৰ চৰ্তাৱলীৰ দ্বাৰা নিৰ্ধাৰণ কৰা মূল্যত পুঁজি, বিত্তীয় সম্পদ, সামগ্ৰী আদিৰ ব্যৱসায় কৰিব পাৰে।

বিত্তীয় বজাৰত বিভিন্ন প্ৰকাৰৰ সামগ্ৰী যেনে— বিত্তীয় সম্পদ, প্ৰতিভূতি বা অন্যান্য প্ৰকাৰৰ বিত্তীয় দলীল আদিৰ ব্যৱসায় কৰা হয়। বিত্তীয় সম্পদ বা বিত্তীয় দলীলবোৰে ভৱিষ্যতে কেতিয়াবা এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ দাবী আৰু / বা সূত বা লভ্যাংশৰ ৰূপত সময়ে সময়ে কৰিবলগীয়া পৰিশোধক প্ৰতিনিধিত্ব কৰে। বিত্তীয় বজাৰত বিভিন্ন ধৰণৰ প্ৰতিভূতি আছে কাৰণ বিনিয়োগকাৰী আৰু ঋণ বিচৰা সকলৰ প্ৰয়োজনীয়তা পৃথক।

বিত্তীয় বজাৰবোৰ বিভিন্ন শ্ৰেণীৰ অধীনত বিভক্ত কৰিব পাৰি। বহুলভাৱে বিত্তীয় বজাৰক নিম্নলিখিত ধৰণে বিভক্ত কৰিব পাৰি—

১) **মুদ্ৰা বজাৰ** (Money market) ঃ মুদ্ৰা বজাৰ হৈছে বিত্তীয় বজাৰৰ এটা খণ্ড য'ত জাৰী কৰাৰ সময়ত এক বছৰ বা তাতকৈ কম ম্যাদপুৰ্তি বা পৰিশোধৰ তাৰিখ থকা বিত্তীয় লেনদেন কৰা হয়। এইটো মুখ্যতঃ এটা পাইকাৰী বজাৰ। মুদ্ৰা বজাৰত বহুতো উপবজাৰ আছে যেনে— তলবী মুদ্ৰা বজাৰ, ক'লৈটাৰেল (Collateral) ঋণ বজাৰ, বাণিজ্যিক বিল বজাৰ, ট্ৰেজাৰী বিল বজাৰ ইত্যাদি।

২) **মূলধনী বজাৰ** (Capital market) ঃ মূলধনী বজাৰ হৈছে বিত্তীয় বজাৰৰ এটা খণ্ড য'ত নিগম আৰু চৰকাৰৰ দ্বাৰা জাৰী কৰা দীৰ্ঘম্যাদী বিত্তীয় দলীলবোৰৰ লেনদেন কৰা হয়। ইয়াত "দীৰ্ঘম্যাদী"ৰ অৰ্থ হৈছে— (ক) এক বছৰতকৈ অধিক মূল ম্যাদ থকা এক বিত্তীয় দলীল আৰু (খ) চিৰস্থায়ী প্ৰতিভূতি (perpetual securities) যি হৈছে কোনো ম্যাদ নোহোৱা প্ৰতিভূতি। মূলধনী বজাৰত দুই প্ৰকাৰৰ প্ৰতিভূতি আছে যেনে— মালিকীস্বত্ব প্ৰতিভূতি আৰু ঋণ প্ৰতিভূতি।

চৰকাৰী প্ৰতিভূতি বজাৰ, উদ্যোগিক প্ৰতিভূতি বজাৰ আৰু দীৰ্ঘম্যাদী ঋণ বজাৰ হিচাপে মূলধনী বজাৰক অধিক উপ বজাৰত বিভক্ত কৰিব পাৰি।

### খ) **বিত্তীয় প্ৰতিষ্ঠানসমূহ** (FINANCIAL INSTITUTIONS) ঃ

যিকোনো প্ৰতিষ্ঠান যি ৰাজহুৱা সঞ্চয় গ্ৰহণ কৰে আৰু ইয়াক ষ্টক, বণ্ড, বেংক জমা, বা ঋণৰ দৰে সম্পত্তিত ব্যৱহাৰ কৰে, তাকে এক বিত্তীয় প্ৰতিষ্ঠান বুলি গণ্য কৰা হয়। বিত্তীয় প্ৰতিষ্ঠানবোৰে বিনিয়োগকাৰী আৰু ঋণ লওঁতাসকলক এক উমৈহতীয়া মঞ্চ প্ৰদান কৰি বিত্তীয় ব্যৱস্থাৰ কাম সুচাৰুৰূপে সম্পাদন কৰাত সহায় কৰে। বিত্তীয় প্ৰতিষ্ঠানে বিত্তীয় বজাৰৰ জৰিয়তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে বিনিয়োগকাৰীসকলৰ বাবে সঞ্চয় সংগ্ৰহ কৰে। এই প্ৰতিষ্ঠানে বিভিন্ন সমস্যা যেনে— পুনৰ্গঠন, পৃথক কৰণ কৌশল আদিৰ ওপৰত পৰামৰ্শ বিচাৰি থকা ব্যক্তি আৰু সংগঠনক সেৱা আগবঢ়ায়। তেওঁলোকে বজাৰৰ পৰা পুঁজি সংগ্ৰহ কৰিব বিচৰা সংগঠনবোৰক বিভিন্ন ধৰণৰ সেৱা আগবঢ়ায় আৰু জমা, প্ৰতিভূতি, ঋণ আদিৰ দৰে বিত্তীয় সম্পত্তিৰ পৰিচালনা কৰে।

বিত্তীয় প্ৰতিষ্ঠানবোৰক নিম্নলিখিত দুটা বহল শ্ৰেণীত বিভক্ত কৰিব পাৰি—

### ১) **বেংকিং প্ৰতিষ্ঠানসমূহ** (Banking institutions) ঃ

বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান যি এজন ব্যক্তি বা ব্যৱসায়ৰ পৰা আন এজন ব্যক্তি বা ব্যৱসায়লৈ ধন স্থানান্তৰ কৰাত সহায় কৰে। মূলতে বেংকিং হৈছে এক ব্যৱসায়িক কাৰ্যকলাপ য'ত জমাৰ ৰূপত ৰাইজৰ পৰা ধন গ্ৰহণ কৰা আৰু লাভ উপাৰ্জনৰ বাবে ঋণ হিচাপে পুঁজিৰ যোগান ধৰা কাৰ্য অন্তৰ্ভুক্ত থাকে। বেংকিং

প্রতিষ্ঠানবোৰে মুখ্যতঃ দুটা উদ্দেশ্য পূৰণ কৰে। যেনে— জনসাধাৰণৰ জমা সুৰক্ষিত কৰা আৰু ঋণৰ সুবিধা প্রদান কৰি তেওঁলোকৰ বিত্তীয় প্রয়োজনীয়তা পূৰণ কৰা।

'ভাৰতীয় বেংকিং ৰেগুলেচন আইন', ১৯৪৯ৰ ৫(খ) ধাৰা অনুসৰি "ঋণদান বা বিনিয়োগৰ উদ্দেশ্যে জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদামতে বা অন্য প্রকাৰে পৰিশোধ কৰা আৰু চেক, ড্রাফ্‌ট বা অন্য উপায়ে তাক উলিয়াই দিয়া কার্যকে বেংকিং বোলে।" আকৌ, ধাৰা ৫(গ) অনুসৰি "বেংকিং কোম্পানী মানে তেনেকুৱা কোম্পানী যিয়ে ভাৰতত বেংকিং ব্যৱসায় কৰে"।

বেংকিং প্রতিষ্ঠানবোৰ বিভিন্ন প্রকাৰৰ যেনে— কেন্দ্ৰীয় বেংক, বাণিজ্যিক বেংক, সমবায় বেংক, ঔদ্যোগিক বেংক, বৈদেশিক বিনিময় বেংক ইত্যাদি। কেন্দ্ৰীয় বেংক হৈছে এখন দেশৰ শীৰ্ষ মুদ্রা প্রতিষ্ঠান। ভাৰতীয় ৰিজার্ভ বেংক হৈছে আমাৰ দেশৰ কেন্দ্ৰীয় বেংক।

২) **অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানসমূহ** (Non-Banking financial institutions) ঃ

অনা-বেংকিং বিত্তীয় প্রতিষ্ঠান হৈছে এক বিত্তীয় প্রতিষ্ঠান, যাৰ দেনা ঋণ নিষ্পত্তিৰ উপায় হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। বেংকিং প্রতিষ্ঠানবোৰৰ দৰে অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানে ৰাইজৰ পৰা জমা গ্ৰহণ কৰিব পাৰে আৰু ঋণ প্রদান কৰিব পাৰে। অৱশ্যে ভাৰতীয় ৰিজার্ভ বেংকে অনা-বেংকিং প্রতিষ্ঠানৰ কাম-কাজৰ ওপৰত কিছুমান প্রতিবন্ধকতা আৰোপ কৰিছে। সেইবোৰ হ'ল—

১) অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানে তাগিদা জমা (Demand Deposit) গ্ৰহণ কৰিব নোৱাৰে।

২) অনা-বেংকিং বিত্তীয় প্রতিষ্ঠান পৰিশোধ আৰু নিষ্পত্তি প্রণালীৰ অংশ নহয় আৰু নিজৰ ওপৰত চেক জাৰী কৰিব নোৱাৰে।

৩) আমানত বীমা আৰু ঋণ গেৰাণ্টি নিগমৰ আমানত বীমা সুবিধা অনা-বেংকিং প্রতিষ্ঠানৰ জমাকর্তাসকলৰ বাবে উপলব্ধ নহয়।

অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানে ঋণ আৰু অগ্ৰিম, অংশ, ষ্টক, ঋণপত্ৰ আৰু চৰকাৰী বা স্থানীয় কর্তৃপক্ষ বা একে প্রকৃতিৰ অন্যান্য বিপণনযোগ্য প্রতিভূতিৰ ব্যৱসায়ত জড়িত হ'ব পাৰে। তেওঁলোকে লীজ, ভাড়া ক্ৰয়, বীমা ব্যৱসায়, চিট ফাণ্ড ব্যৱসায় আদিৰ দৰে কার্যকলাপতো জড়িত হ'ব পাৰে। অৱশ্যে যিবোৰ প্রতিষ্ঠানৰ মুখ্য ব্যৱসায় হৈছে কৃষি কার্যকলাপ, ঔদ্যোগিক কার্যকলাপ, যিকোনো সামগ্রী ক্ৰয় বা বিক্রী (প্রতিভূতিৰ বাহিৰে) বা যিকোনো সেৱা আৰু বিক্রী, ক্ৰয় আৰু/ বা স্থাৱৰ সম্পত্তি নির্মাণ সেইবিলাকক অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানৰ শ্ৰেণীৰ অধীনত অন্তর্ভুক্ত কৰা নহয়।

**বেংক আৰু অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানৰ মাজত পাৰ্থক্য নিম্নলিখিত ধৰণৰ—**

(Differences between Banking and Non-Banking institutions are as follows)

| তুলনাৰ আধাৰ | বেংক | অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান |
|---|---|---|
| অৰ্থ | বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান যি ঋণ বা বিনিয়োগৰ উদ্দেশ্যে ৰাইজৰ পৰা ধন জমা গ্ৰহণ কৰে। জমাবোৰ সাধনি মতে বা অন্য ধৰণে পৰিশোধ কৰিব লাগিব আৰু চেক, ড্ৰাফ্ট বা অন্য ধৰণে আহৰণ কৰিব লাগিব। | অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান হৈছে এক বিত্তীয় প্ৰতিষ্ঠান যাৰ সম্পূৰ্ণ বেংকিং অনুজ্ঞাপত্ৰ নাই আৰু সীমিত জমা লোৱা কাৰ্যকলাপত জড়িত হ'ব পাৰে। |
| কাৰ অধীনত নিয়ন্ত্ৰিত | বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯। | কোম্পানী আইন, ২০১৩। |
| নিয়ামক কৰ্তৃপক্ষ | ভাৰতীয় ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া। | ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদ (SEBI)। |
| জমাৰ গ্ৰহণযোগ্যতা | সকলো ধৰণৰ জমা গ্ৰহণ কৰিব পাৰে। | চাহিদা জমা গ্ৰহণ কৰিব নোৱাৰে। |
| চেকৰ সুবিধা | চেকৰ সুবিধা প্ৰদান কৰিব পাৰে। | চেকৰ সুবিধা প্ৰদান কৰিব নোৱাৰে। |
| বিদেশী বিনিয়োগ | ব্যক্তিগত খণ্ডৰ বেংকত ৭৪ শতাংশ লৈকে অনুমোদিত। | ১০০ শতাংশ লৈকে অনুমোদিত। |
| পৰিশোধ আৰু নিষ্পত্তি প্ৰণালী | বেংকবোৰ পৰিশোধ আৰু নিষ্পত্তি প্ৰণালীৰ এক অবিচ্ছেদ্য অংশ। | অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান ইয়াৰ অংশ নহয়। |
| নগদ সংৰক্ষণ অনুপাত | ভাৰতীয় ৰিজাৰ্ভ বেংক আইন আৰু বেংকিং নিয়ন্ত্ৰণ আইনৰ অধীনত নগদ সংৰক্ষণ অনুপাতৰ জমা বাধ্যতামূলক। | নগদ সংৰক্ষণ অনুপাত জমা ৰখাৰ প্ৰয়োজন নাই। |
| আমানত বীমা সুবিধা | উপলব্ধ। | উপলব্ধ নহয়। |
| ঋণ সৃষ্টি | বেংকে ঋণ সৃষ্টি কৰিব পাৰে। | ঋণ সৃষ্টি সম্ভৱ নহয় (কিয়নো তেওঁলোকে চেকৰ সুবিধা প্ৰদান নকৰে)। |

## গ) **বিত্তীয় দলীল** (FINANCIAL INSTRUMENTS) ঃ

এটা বিত্তীয় ব্যৱস্থাত উপলব্ধ পুঁজিৰ স্থানান্তৰ বিত্তীয় দলীল ক্রয় আৰু বিক্রীৰ জৰিয়তে হয়। অর্থাৎ বিত্তীয় ব্যৱস্থাৰ এক উপাদান হিচাপে, বিত্তীয় দলীলবোৰে উদ্বৃত্ত ক্ষেত্রৰ পৰা ঘাটি ক্ষেত্রলৈ পুঁজিৰ চলাচল সহজ কৰে। বিত্তীয় দলীল হৈছে এক পক্ষৰ এক লিখিত আইনী বাধ্যবাধকতা যাৰ দ্বাৰা কিছুমান চর্তৰ অধীনত ভৱিষ্যতৰ কোনো তাৰিখত মূল্যৱান কিবা এটা সাধাৰণতে আন এটা পক্ষলৈ ধন স্থানান্তৰ কৰা হয়। 'দলীল' শব্দটো বহল অর্থত ব্যৱহাৰ কৰা হয়। ই যিকোনো ধৰণৰ ব্যৱসায়যোগ্য সম্পত্তি যেনে— নগদ ধন, এটা প্রতিষ্ঠানত মালিকীস্বত্বৰ অংশৰ প্রমাণ, বা নগদ ধন প্রাপ্ত বা বিতৰণ কৰাৰ চুক্তিগত অধিকাৰ বা আন এক বিত্তীয় দলীল বুজায়। বজাৰত বিভিন্ন ধৰণৰ প্রতিভূতি আছে কাৰণ বিনিয়োগকাৰী আৰু ঋণ বিচৰাসকলৰ প্রয়োজনীয়তা পৃথক। সম অধিকাৰ অংশ (সমাংশ), ঋণপত্র, বণ্ড আদি হৈছে ইয়াৰ কিছুমান উদাহৰণ।

**বিত্তীয় দলীলৰ বৈশিষ্ট্যসমূহ** (Features of financial instruments) ঃ

সাধাৰণতে বিত্তীয় দলীলৰ বৈশিষ্ট্যসমূহ নিম্নলিখিত ধৰণৰ —

১) **বলৱৎযোগ্য চুক্তি** (Enforceable contract) ঃ বিত্তীয় দলীল হৈছে সম্ভাব্য ক্রেতাসকলক সুৰক্ষিত কৰা আইনৰ শাসনৰ অধীনত/গণ্ডীৰ ভিতৰত এক বাধ্যতামূলক, বলৱৎ কৰিব পৰা চুক্তি।

২) **মূল্য স্থানান্তৰ** (Transfer of value) ঃ দুটা পক্ষৰ মাজত মূল্য স্থানান্তৰ হয়, য'ত এটা পক্ষ বেংক, বীমা কোম্পানী, চৰকাৰ, প্রতিষ্ঠান বা ব্যক্তি হ'ব পাৰে।

৩) **মুদ্রাৰ সমপর্যায়ৰ সম্পদ** (Near money asset) ঃ বিত্তীয় দলীলবোৰে মুদ্রাৰ কিছুমান কাম যেনে পৰিশোধৰ উপায় বা মূল্যৰ ভঁড়াল হিচাপে কাম কৰিব পাৰে। সেইবোৰক মূল্যৰ উন্নত ভঁড়াল বুলি গণ্য কৰা হয় কিয়নো সেইবোৰে সময় অতিবাহিত হোৱাৰ লগে লগে সম্পদ অধিক বৃদ্ধি কৰাৰ সুবিধা দিয়ে (কিন্তু উচ্চ স্তৰৰ বিপদাশংকাৰ সৈতে)।

৪) **বিপদাশংকা স্থানান্তৰ** (Risk transfer) ঃ কিছুমান বিত্তীয় দলীলে বিপদাশংকা স্থানান্তৰৰ সুবিধা প্রদান কৰে। কিছুমান দলীলৰ ক্ষেত্রত ক্রেতাই বিপদাশংকা বিক্রেতালৈ স্থানান্তৰ কৰি আছে আৰু কিছুমান বিপদাশংকা গ্রহণ কৰিবলৈ মূলতঃ বিক্রেতাক পৰিশোধ কৰি আছে। বীমা আঁচনিবোৰ ইয়াৰ এক মুখ্য উদাহৰণ।

৫) **মানককৰণ** (Standerdisation) ঃ বেছিভাগ বিত্তীয় দলীল মানক/ মানবিশিষ্ট কৰা হয় যাতে তেওঁলাকৰ ক্রেতাৰ বাবে দায়বদ্ধতা আৰু চুক্তি থাকে।

৬) **সহজ স্থানান্তৰযোগ্যতা** (Easy transferability) ঃ বেছিভাগ দলীল বহুতো জটিল আনুষ্ঠানিকতা অবিহনে এজনৰ পৰা আন জনলৈ সহজে স্থানান্তৰ কৰিব পাৰি।

৭) **সাজু বজাৰ** (Ready market) ঃ বিত্তীয় দলীলবোৰৰ এখন সাজু/প্ৰস্তুত বজাৰ আছে। সেইবোৰ সঘনাই ক্ৰয় আৰু বিক্ৰী কৰিব পাৰি আৰু এনেদৰে এই প্ৰতিভূতিবোৰত ব্যৱসায় সম্ভৱ হয়।

৮) **তাৰল্যতা** (Liquidity) ঃ বিত্তীয় দলীলবোৰৰ তাৰল্যতা থাকে অৰ্থাৎ কিছুমান দলীল সহজে নগদলৈ ৰূপান্তৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে বাট্টাকৰণ আৰু পুনৰ বাট্টাকৰণৰ জৰিয়তে বিনিময় বিল এখন সহজে নগদলৈ ৰূপান্তৰ কৰিব পাৰি।

৯) **জামিন মূল্যৰ অধিকাৰী** (Possess security value) ঃ বেছিভাগ বিত্তীয় দলীলৰ জামিন মূল্য থাকে অৰ্থাৎ বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ সংগ্ৰহৰ উদ্দেশ্যে সেইবোৰ জামিন হিচাপে আগবঢ়াব পাৰি।

১০) **কৰ ৰেহাই** (Tax exemption) ঃ কিছুমান বিত্তীয় দলীলে কৰ ৰেহাই উপভোগ কৰে অৰ্থাৎ এই দলীলবোৰত কৰা বিনিয়োগক নিৰ্দিষ্ট সীমা সাপেক্ষে আয়কৰ, সম্পদ কৰ আদিৰ পৰা ৰেহাই দিয়া হয়। উদাহৰণ স্বৰূপে ৰাজহুৱা খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা জাৰী কৰা কিছুমান বণ্ড, ৰাষ্ট্ৰীয় সঞ্চয় প্ৰমাণ পত্ৰ (NSC)ৰ দৰে চৰকাৰী প্ৰতিভূতিবোৰে কৰ ৰেহাই উপভোগ কৰে।

১১) **বিপদাশংকা বহন কৰে** (Carry risk) ঃ এই দলীলবিলাকে বিপদাশংকা বহন কৰে কাৰণ মূলধন পৰিশোধ বা সূত বা লভ্যাংশ পৰিশোধ কৰাৰ ক্ষেত্ৰত অনিশ্চয়তা আছে।

১২) **ভৱিষ্যৎ ব্যৱসায় উজু কৰে** (Facilitate futures trading) ঃ এই দলীলবোৰে ভৱিষ্যৎ ব্যৱসায় উজু কৰে যাতে মূল্যৰ তাৰতম্য, সূতৰ হাৰৰ তাৰতম্য আদিৰ ফলত উদ্ভৱ হোৱা বিপদাশংকা আৱৰিব/ঢাকিব (Cover risks) পাৰে।

১৩) **কম সঞ্চালন ব্যয়** (Less handling cost) ঃ এই দলীলবোৰত কম সঞ্চালন ব্যয় হয় কিয়নো এই দলীলবোৰ ক্ৰয় আৰু বিক্ৰী কৰাত সাধাৰণতে যথেষ্ট কম ব্যয় হয়।

১৪) **বিপদাশংকা আৰু আয় সমানুপতিক** (Risk and return proportionate) ঃ এই দলীলবোৰৰ আয় পোনপটীয়াকৈ গ্ৰহণ কৰা বিপদাশংকাৰ অনুপাতত হয়।

১৫) **ম্যাদৰ তাৰতম্য** (Maturity period variation) ঃ এই দলীলবোৰৰ ম্যাদপূৰ্তিৰ সময়ৰ ওপৰত নিৰ্ভৰ কৰি দলীলবোৰ হ্ৰস্বম্যাদী, মধ্যম্যাদী বা দীৰ্ঘম্যাদী হ'ব পাৰে।

**বিত্তীয় দলীলৰ শ্ৰেণীবিভাজন** (Classification of financial instruments) ঃ

বিত্তীয় দলীলবোৰৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি সেইবোৰক বিভিন্ন শিতানত শ্ৰেণীবদ্ধ কৰিব পাৰি যিবোৰ নিম্নলিখিত ধৰণৰ—

১) **মূল্য নিৰ্ধাৰণৰ আধাৰত শ্ৰেণীবিভাজন** (Classification on the basis of determination of value) ঃ

ক) **নগদ দলীল** (Cash instruments) ঃ নগদ দলীল হৈছে বিত্তীয় দলীল যাৰ মূল্য পোনপটীয়াকৈ বজাৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। সেইবোৰক প্ৰতিভূতি আৰু অন্যান্য নগদ দলীল যেনে— ঋণ আৰু জমা হিচাপে বিভক্ত কৰিব পাৰি।

খ) **গৌণ দলীল (ডেৰিভেটিভ) প্ৰতিভূতি** (Derivative instruments) ঃ গৌণ দলীল হৈছে বিত্তীয় দলীল যি এইবিলাকৰ মূল্য ইয়াৰ অন্তৰ্নিহিত অস্তিত্ব যেনে— সম্পদ, সূচক বা সূতৰ হাৰৰ পৰা আহৰণ কৰে।

২) **সম্পদৰ শ্ৰেণীৰ আধাৰত শ্ৰেণীবিভাজন** (Classification on the basis of asset class) ঃ

ক) **সম অধিকাৰী দলীল** (Equity instruments) ঃ সম অধিকাৰী দলীলবোৰ হৈছে এটা নিগমৰ উপাৰ্জন আৰু সম্পত্তিৰ ওপৰত দাবী। কিছুমান সম অধিকাৰী প্ৰতিভূতিয়ে মালিকক সময়ে সময়ে লভ্যাংশ পৰিশোধ কৰাৰ অধিকাৰ দিয়ে কিন্তু এই পৰিশোধবোৰ নিশ্চিত নহয়। সম অধিকাৰী প্ৰতিভূতিৰ বাবে ম্যাদপুৰ্তিৰ কোনো তাৰিখ নাই। সেয়েহে সেইবোৰক দীৰ্ঘম্যাদী প্ৰতিভূতি বুলি গণ্য কৰা হয়। সম অধিকাৰী অংশ (সমাংশ) হৈছে সম অধিকাৰী প্ৰতিভূতিৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ।

খ) **ঋণ দলীল** (Debt instruments) ঃ ঋণ দলীলবোৰত ঋণ লওঁতাই (ঋণ দলীল জাৰী কৰোতা) এক নিৰ্দিষ্ট সময়ৰ পিছত ঋণদাতাক (ঋণ দলীলৰ ক্ৰেতা) স্থিৰ পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত কৰে। ঋণপত্ৰ, বণ্ড হৈছে ঋণ দলীৰৰ উদাহৰণ।

গ) **বৈদেশিক বিনিময় দলীল** (Foreign exchange instruments) ঃ বৈদেশিক মুদ্ৰা পৰিশোধৰ অধিকাৰ সম্পৰ্কে বৈদেশিক বিনিময় দলীল হৈছে দুই বা ততোধিক পক্ষৰ মাজত আইনীভাৱে বলৰৎ কৰিব পৰা (বাধ্যতামূলক) চুক্তি।

৩) **জাৰীকৰ্তাৰ আধাৰত শ্ৰেণীবিভাজন** (Classfication on the basis of issuers) ঃ

দলীল জাৰীকৰ্তাৰ আধাৰত ঋণ দলীলবোৰক চৰকাৰী প্ৰতিভূতি আৰু ঔদ্যোগিক প্ৰতিভূতি হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি।

ক) **চৰকাৰী প্ৰতিভূতি** (Government securities) ঃ চৰকাৰী প্ৰতিভূতি হৈছে চৰকাৰৰ হৈ চৰকাৰ বা ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়াই জাৰী কৰা স্থিৰ উপাৰ্জনৰ প্ৰতিভূতি। সেইবোৰৰ

ভিতৰত আছে ৰাজ্য চৰকাৰ, স্থানীয় পৌৰসভা / নিগমৰ দৰে অৰ্ধ চৰকাৰী সংস্থা/ বিদ্যুৎ পৰিষদ আদিৰ দ্বাৰা জাৰী কৰা প্ৰতিভূতি। যিহেতু এই প্ৰতিভূতিবোৰ চৰকাৰে জাৰী কৰে এইবিলাক প্ৰতিভূতিত বিপদাশংকা অতি ন্যূনতম আৰু আন বহুতো ব্যক্তিগত বিত্তীয় বিনিয়োগৰ তুলনাত সূতৰ হাৰও কম।

খ) **ঔদ্যোগিক প্ৰতিভূতি** (Industrial securities) ঃ নিগম খণ্ডৰ দ্বাৰা তেওঁলোকৰ দীৰ্ঘম্যাদী আৰু কাৰ্যকৰী মূলধনৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ঔদ্যোগিক প্ৰতিভূতি জাৰী কৰা হয়। ঔদ্যোগিক প্ৰতিভূতিৰ অধীনত পৰা মুখ্য দলীলবোৰ হৈছে সম অধিকাৰী অংশ, অগ্ৰাধিকাৰ অংশ, ঋণপত্ৰ, বাণিজ্যিক কাগজ পত্ৰ ইত্যাদি।

৪) **ম্যাদপূৰ্তিৰ আধাৰত শ্ৰেণীবিভাজন** (Classfication on the basis of maturity) ঃ ম্যাদপূৰ্তিৰ সময়ৰ আধাৰত বিত্তীয় দলীলবোৰক মুদ্ৰা বজাৰৰ দলীল আৰু মূলধনী বজাৰৰ দলীল হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি।

ক) **মুদ্ৰা বজাৰৰ দলীল** (Money market instruments) ঃ মুদ্ৰা বজাৰৰ দলীলবোৰ হৈছে হ্ৰস্বম্যাদী দলীল, যাৰ ম্যাদপূৰ্তিৰ সময় এবছৰৰ ভিতৰত। ঋণ বজাৰৰ এই অংশত চৰকাৰী প্ৰতিভূতি আৰু ঔদ্যোগিক প্ৰতিভূতি যেনে— ট্ৰেজাৰী বিল, বাণিজ্যিক বিল, বাণিজ্যিক কাগজপত্ৰ, জমাৰ প্ৰমাণপত্ৰ আদি অন্তৰ্ভুক্ত থাকে।

খ) **মূলধনী বজাৰৰ দলীল** (Capital market instruments) ঃ মূলধনী বজাৰৰ দলীলবোৰৰ ভিতৰত আছে দীৰ্ঘম্যাদী ঋণ দলীল, যাৰ ম্যাদপূৰ্তিৰ সময় এবছৰ বা তাতকৈ অধিক। ঋণপত্ৰ, বণ্ড, চৰকাৰী দলীল যেনে— NSC, KVP ইত্যাদি হৈছে মূলধনী বজাৰৰ দলীলৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ।

৫) **দলীলৰ মধ্যস্থতাকাৰীৰ আধাৰত শ্ৰেণীবিভাজন** (Classification on the basis of intermediaries involved) ঃ

প্ৰতিভূতি জাৰী কৰাৰ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত মধ্যস্থতাকাৰীৰ আধাৰত বিত্তীয় দলীলবোৰক প্ৰাথমিক দলীল আৰু গৌণ দলীল হিচাপে শ্ৰেণীবদ্ধ কৰিব পাৰি।

ক) **প্ৰাথমিক দলীল** (Primary instruments) ঃ প্ৰাথমিক দলীলবোৰক পোনপটীয়া প্ৰতিভূতি বুলিও কোৱা হয় কিয়নো সেইবোৰ চূড়ান্ত সঞ্চয়কৰ্তাসকলক পুঁজিৰ চূড়ান্ত ঋণ লওঁতাই পোনপটীয়াকৈ জাৰী কৰে। সম অধিকাৰী অংশ আৰু ঋণপত্ৰ হৈছে প্ৰাথমিক দলীলৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ।

খ) **গৌণ দলীল** (Secondary instruments) ঃ গৌণ দলীলবোৰক পৰোক্ষ প্ৰতিভূতি বুলিও কোৱা হয় কিয়নো সেইবোৰ বিত্তীয় মধ্যস্থতাকাৰীসকলে চূড়ান্ত সঞ্চয়কাৰীসকলক জাৰী কৰে। পাৰস্পাৰিক নিধি (মিউচুৱেল ফাণ্ড) আৰু বীমা আঁচনিৰ এককবোৰ গৌণ দলীল।

## ঘ) বিত্তীয় সেৱাসমূহ (FINANCIAL SERVICES) ঃ

বিত্তীয় সেৱাসমূহে বিত্ত উদ্যোগৰ দ্বাৰা প্ৰদান কৰা সেৱাসমূহক বুজায়। বিত্ত উদ্যোগটোৱে এক বিস্তৃত পৰিসৰৰ সংগঠনক অন্তৰ্ভুক্ত কৰে যি ধনৰ ব্যৱস্থাপনাৰ সৈতে মোকাবিলা কৰে। এই সংগঠনবোৰৰ ভিতৰত আছে বেংক, ক্ৰেডিট কাৰ্ড কোম্পানী, বীমা কোম্পানী, উপভোক্তা বিত্ত কোম্পানী, ষ্টক ব্ৰোকাৰেজ, বিনিয়োগ পুঁজি আৰু কিছুমান চৰকাৰী পৃষ্ঠপোষকতা কৰা উদ্যোগ।

বিত্তীয় সেৱা প্ৰদানকাৰীসকলে প্ৰয়োজনীয় পুঁজি প্ৰাপ্ত/আহৰণ কৰাত সহায় কৰে আৰু লগতে নিশ্চিত কৰে যে সেইবিলাক দক্ষতাৰে নিয়োজিত কৰা হৈছে। তেওঁলোকে বিত্তীয় সংমিশ্ৰণ নিৰ্ধাৰণ কৰাত আৰু তেওঁলোকৰ পেছাদাৰী সেৱাবোৰ ঋণদাতাৰ সেৱাৰ পৰ্যায়লৈ সম্প্ৰসাৰিত কৰাত সহায় কৰে। এইবোৰে ধাৰ লোৱা, প্ৰতিভূতি বিক্ৰী কৰা আৰু ক্ৰয় কৰা, ঋণ দিয়া আৰু বিনিয়োগ কৰা, পৰিশোধ আৰু নিষ্পত্তি কৰাৰ অনুমতি দিয়া আৰু বিত্তীয় বজাৰত বিপদাশংকাৰ সংস্পৰ্শৰ যত্ন লোৱাত সহায় কৰে। ক্ৰেডিট ৰেটিং, শংকাযুক্ত মূলধন, পাৰস্পৰিক নিধি (মিউচুৱেল ফাণ্ড), সদাগৰী বেংকিং, ডিপজিটৰী সেৱা, বুক বিল্ডিং আদি সেৱাও নিগম নিকায়বোৰৰ বাবে উপলব্ধ কৰা হয়।

গুৰুত্বপূৰ্ণ বিত্তীয় সেৱা প্ৰদানকাৰীসকলৰ ভিতৰত আছে লীজিং কোম্পানী, পাৰস্পৰিক নিধি (মিউচুৱেল ফাণ্ড হাউচ), সদাগৰী বেংকাৰ, পৰ্টফলিঅ' মেনেজাৰ, বিল বাট্টাকৰণ আৰু স্বীকৃতি ভৱন ইত্যাদি।

## ঙ) নিয়ামক সংস্থাসমূহ (REGULATORY BODIES) ঃ

বিত্তীয় ব্যৱস্থাত বিভিন্ন অংশগ্ৰহণকাৰীসকলক নিয়ন্ত্ৰণৰ কাম সংসদৰ বিভিন্ন আইনৰ অধীনত গঠন কৰা কিছুমান আইনী কৰ্তৃপক্ষক অৰ্পণ কৰা হৈছে। সেয়েহে এই বিধিবদ্ধ সংস্থাসমূহক বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে গণ্য কৰা হয়। দেশত দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ নিয়ামক সংস্থা আছে যেনে— ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদ (SEBI)।

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিত্তীয় ব্যৱস্থাৰ মুখ্য অংশটো নিয়ন্ত্ৰণ আৰু তত্বাৱধান কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰ্যবেক্ষকৰ ভূমিকাই বাণিজ্যিক বেংক, নগৰ সমবায় বেংক, কিছুমান বিত্তীয় প্ৰতিষ্ঠান আৰু অনা-বেংকিং বিত্তীয় কোম্পানীক সামৰি লয়। মূলধনী বজাৰ, পাৰস্পৰিক নিধি (মিউচুৱেল ফাণ্ড) আৰু মূলধনী বজাৰৰ অন্যান্য মধ্যস্থতাকাৰীসকল ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

এই দুটাৰ উপৰিও ভাৰতীয় বিত্তীয় ব্যৱস্থাত আন কিছুমান গুৰুত্বপূৰ্ণ নিয়ামক সংস্থা আছে। আঞ্চলিক গ্ৰাম্য বেংক আৰু সমবায় বেংকবোৰ ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক (নাবাৰ্ড)ৰ দ্বাৰা তত্ত্বাৱধান কৰা হয় আৰু নেচনেল হাউচিং বেংকৰ (NHB) দ্বাৰা হাউচিং ফাইনেন্স কোম্পানীৰ তত্ত্বাৱধান কৰা হয়। ভাৰত চৰকাৰৰ কোম্পানী পৰিক্ৰমা বিভাগে (DCA), কোম্পানী আইনৰ অধীনত পঞ্জীভুক্ত অনা-বেংকিং বিত্তীয় কোম্পানীৰ বাহিৰে আন নিগম নিকায়ৰ জমা লোৱা কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰে। বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকৰণে (IRDA) বীমা খণ্ড নিয়ন্ত্ৰণ কৰে। পেঞ্চন নিয়ামক আৰু উন্নয়ন কৰ্তৃপক্ষই (PFRDA) পেঞ্চন পুঁজি নিয়ন্ত্ৰণ কৰে।

## অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ ভূমিকা
## (ROLE OF FINANCIAL SYSTEM IN THE ECONOMIC DEVELOPMENT)

এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিত্তীয় ব্যৱস্থাটো বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান যেনে— বাণিজ্যিক বেংক, অনা-বেংকিং বিত্তীয় নিগম, উন্নয়ন বেংক, বিনিয়োগ বেংক, বীমা কোম্পানী আদিৰ এক নেটৱৰ্কৰ দ্বাৰা গঠিত। এই বিত্তীয় প্ৰতিষ্ঠানবোৰে বিভিন্ন ধৰণৰ বিত্তীয় সামগ্ৰী আৰু সেৱা আগবঢ়ায় যি বিভিন্ন শ্ৰেণীৰ গ্ৰাহকৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খায়। যিহেতু এই বিত্তীয় প্ৰতিষ্ঠানবোৰে মুদ্ৰা বজাৰ আৰু মূলধনী বজাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেয়েহে এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত তেওঁলোকৰ ভূমিকা অনিবাৰ্য।

এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ ভূমিকা নিম্নলিখিত শিতানৰ অধীনত আলোচনা কৰিব পাৰি—

১) **মূলধন সংগঠন** (Capital formation) ঃ মূলধন গঠন হৈছে এক প্ৰক্ৰিয়া যাৰ দ্বাৰা জনসাধাৰণৰ সঞ্চয়বোৰ কাৰখানা/প্ৰকল্প, সঁজুলি আৰু যন্ত্ৰপাতিৰ দৰে মূলধনী সামগ্ৰীৰ বিনিয়োগত প্ৰয়োগ কৰা হয়। ই এখন দেশৰ উৎপাদনশীল ক্ষমতা আৰু শ্ৰমিকৰ দক্ষতা বৃদ্ধি কৰে। ইয়ে এখন দেশত সামগ্ৰী আৰু সেৱাৰ অধিক প্ৰবাহ নিশ্চিত কৰে। বিত্তীয় ব্যৱস্থাই নাগৰিকসকলৰ হাতত উপলব্ধ পুঁজি বা সঞ্চয় সংগ্ৰহ কৰে আৰু এনেদৰে মূলধন গঠনত সহায় কৰে।

২) **বিনিয়োগৰ প্ৰৱৰ্তন** (Promoting investments) ঃ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা হৈছে যে ই সঞ্চয়ক অৰ্থনীতিৰ বিভিন্ন উৎপাদনশীল ক্ষেত্ৰত প্ৰবাহিত হ'বলৈ উৎসাহিত কৰে। বিনিয়োগৰ স্তৰে দেশত সামগ্ৰী আৰু সেৱাৰ উৎপাদন বৃদ্ধি আৰু উপাৰ্জন নিৰ্ধাৰণ

কৰে। এইটো উল্লেখ কৰিব লাগিব যে উৎপাদনশীল খণ্ডত বিনিয়োগ হৈছে মুদ্ৰাস্ফীতিহীন প্ৰকৃতিৰ যাৰ ফলত অৱশেষত অৰ্থনীতিৰ বিকাশ আৰু উন্নয়ন হয়। অৰ্থনীতিত যিমান ডাঙৰ/বৃহৎ বিনিয়োগ হয় সিমানে আয়-উপাৰ্জন আৰু নিয়োগ সৃষ্টিৰ সুযোগ অধিক হয়। ইয়াৰ ফলত অৱশেষত অৰ্থনৈতিক বিকাশ হয়।

৩) **ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ আধাৰত সঞ্চয় আৱণ্টন কৰা** (Allocating savings on the basis of national priorities) ঃ বিত্তীয় ব্যৱস্থাই সঞ্চয়বোৰ অধিক দক্ষভাৱে আৱণ্টন কৰে যাতে ৰাষ্ট্ৰীয় নীতি অনুসৰি বিভিন্ন অগ্ৰাধিকাৰ খণ্ডৰ মাজত দুৰ্লভ মূলধন অধিক দক্ষতাৰে ব্যৱহাৰ কৰা হ'ব পাৰে। পুঁজি বিনিয়োগ কৰোতে কিছুমান সামাজিক আৰু অৰ্থনৈতিক খণ্ডক সদায়ে ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ ওপৰত আধাৰিত কৰি কিছুমান অগ্ৰাধিকাৰ দিয়া হয়।

৪) **উদ্যোগী প্ৰতিভাক উৎসাহিত কৰা** (Encouraging entrepreneurial talents) ঃ বিত্তীয় ব্যৱস্থাই উদ্যোগ আৰু বিপদাশংকা গ্ৰহণৰ ক্ষমতাৰ মনোভাৱ বৃদ্ধি কৰি উদ্যোগী প্ৰতিভাৰ বিকাশত উদগনি দিয়ে। বাণিজ্যিক আৰু বিশেষ বেংকৰ দৰে বিত্তীয় প্ৰতিষ্ঠানবোৰে উদ্যোগৰ বিকাশ আৰু বিকাশত মুখ্য চালিকা শক্তি হিচাপে কাম কৰে। এইবোৰে উদ্যোগীসকলক বিভিন্ন উপায়েৰে অতি প্ৰয়োজনীয় বিত্তীয় সম্পদ যেনে— অধিবিকৰ্ষ, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ঋণ, ইনভইচ বাট্টাকৰণ, বাণিজ্যিক বন্ধকী আৰু সম অধিকাৰী (equity) বিত্তৰ যোগান ধৰে। বিত্তীয় সাহাৰ্য প্ৰদান কৰাৰ উপৰিও বিত্তীয় ব্যৱস্থাই দেশৰ উদ্যোগকসমূহক সহায় আৰু প্ৰৱৰ্তন কৰিবলৈ বিভিন্ন ধৰণৰ অন্যান্য অনা-পুঁজি আধাৰিত সেৱা প্ৰদান কৰে।

৫) **বিত্তীয় গভীৰতাকৰণ আৰু বিস্তৃতিকৰণ** (Financial deepening and broadening) ঃ এক সু-কাৰ্যকৰী বিত্তীয় ব্যৱস্থাই 'বিত্তীয় গভীৰতাকৰণ' (financial deepening) আৰু 'বিত্তীয় বিস্তৃতিকৰণ'ৰ (financial broadening) প্ৰক্ৰিয়াটো প্ৰৱৰ্তন কৰাত সহায় কৰে। বিত্তীয় গভীৰতাকৰণে মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ হিচাপে বিত্তীয় সম্পদ বৃদ্ধিক বুজায়। বিত্তীয় বিস্তৃতিকৰণৰ অৰ্থ হৈছে বৰ্ধিত সংখ্যা আৰু বিভিন্ন প্ৰকাৰৰ অংশগ্ৰহণকাৰী আৰু দলীল সৃষ্টি কৰা।

৬) **সূতৰ হাৰ স্থিৰকৰণ** (Interest rates stabilisation) ঃ এক সু-বিকশিত বিত্তীয় ব্যৱস্থাই চাহিদা আৰু যোগান দুয়োটা দিশত বিভিন্ন অংশগ্ৰহণকাৰীৰ মাজত স্বাস্থ্যকৰ প্ৰতিযোগিতা তৈয়াৰ কৰে। ইয়াৰ অৰ্থ হৈছে যে সদস্যসকলে তেওঁলোকৰ ব্যয় হ্ৰাস কৰি ইজনে সিজনৰ সৈতে প্ৰতিযোগিতা কৰিব লাগিব। ফলস্বৰূপে নিম্ন সূতৰ হাৰৰ লাভালাভবোৰ গ্ৰাহকসকলক প্ৰদান কৰিব পৰা হয়। ইয়াৰ উপৰিও বিত্তীয় ব্যৱস্থাৰ অস্তিত্বই সমগ্ৰ দেশতে সমান সূতৰ হাৰ নিশ্চিত কৰে। এক বিত্তীয় ব্যৱস্থাৰ

অনুপস্থিতিত মূলধনৰ উপলব্ধতাৰ ওপৰত আধাৰিত কৰি প্ৰতিটো অঞ্চলৰ নিজা সূতৰ হাৰৰ ব্যৱস্থা থাকিব পাৰে। অৱশ্যে বিত্তীয় ব্যৱস্থাৰ কাৰ্যকুশলতাৰ বাবে সমগ্ৰ দেশতে সূতৰ হাৰ একেই থাকে।

৭) **ব্যৱসায় আৰু বাণিজ্য খণ্ডৰ বিকাশ** (Growth of trade and commerce sector) ঃ এক দক্ষ পৰিশোধ প্ৰণালী প্ৰদান কৰি বিত্তীয় ব্যৱস্থাই সামগ্ৰী আৰু সেৱাৰ সময়মতে আৰু সুচাৰুৰূপে স্থানান্তৰ নিশ্চিত কৰে যি এখন দেশৰ অৰ্থনীতিত ব্যৱসায় আৰু বাণিজ্য খণ্ডৰ বিকাশত অৰিহণা যোগায়। বেংক, জমাকৰ্তা প্ৰতিষ্ঠান আৰু ব্যক্তিগত কোম্পানীৰ দৰে কেইবাটাও প্ৰতিষ্ঠানৰ সৈতে এক দক্ষ পৰিশোধ প্ৰণালীয়ে ব্যৱসায়ত ঋণৰ বিপদাশংকা হ্ৰাস কৰে। উন্নত প্ৰযুক্তিৰ আগমনৰ সৈতে এতিয়া কেইছেকেণ্ডমানৰ ভিতৰত পৃথিৱীৰ যিকোনো ঠাইলৈ ধন প্ৰেৰণ কৰা সম্ভৱ। এইদৰে বিত্তীয় বজাৰ আৰু প্ৰতিষ্ঠানবোৰে ব্যৱসায় আৰু বাণিজ্যৰ সম্প্ৰসাৰণত সহায় কৰে আৰু এখন দেশৰ মুঠ ঘৰুৱা উৎপাদন উন্নত কৰে।

৮) **নিয়োগ সৃষ্টি** (Employment of generation) ঃ বিত্তীয় ব্যৱস্থাই ব্যৱসায় আৰম্ভ কৰিব বিচৰা বা তেওঁলোকৰ বিদ্যমান ব্যৱসায় সম্প্ৰসাৰিত কৰিব বিচৰা উদ্যোগীসকলক মূলধন প্ৰদান কৰে। যেতিয়া এই ব্যৱসায়বোৰ আৰম্ভ হয়, তেওঁলোকক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বিভিন্ন ধৰণৰ কৰ্মচাৰীৰ সেৱা প্ৰয়োজন হয়। ইয়াৰ ফলস্বৰূপে অৰ্থনীতিত যথেষ্ট নিয়োগৰ সুযোগ সৃষ্টি হয়।

৯) **আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ সম্প্ৰসাৰণ** (Expansion of international trade) ঃ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰক্ৰিয়াত বিত্তীয় ব্যৱস্থাই এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আন্তৰ্জাতিক বাণিজ্যত ৰপ্তানি আৰু আমদানিৰ বাবে সকলো পৰিশোধ বেংকিং প্ৰতিষ্ঠানৰ জৰিয়তে প্ৰেৰণ কৰা হয়। আমদানিকৰ্তাসকলৰ হৈ ঋণ পত্ৰ জাৰী কৰি বেংকবোৰে ৰপ্তানিকাৰী দেশৰ পৰা সামগ্ৰী আৰু সেৱা আমদানি প্ৰক্ৰিয়া সৰল কৰে। ফলস্বৰূপে কোনো পক্ষই ইজনে সিজনৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে। ইয়াৰ পৰিৱৰ্তে তেওঁলোক দুয়ো বেংকৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে। বিত্তীয় বজাৰ আৰু প্ৰতিষ্ঠানৰ অনুপস্থিতিয়ে আন্তৰ্জাতিক বাণিজ্যৰ বিকাশ আৰু পৰিমাণৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাব।

১০) **বিদেশী মূলধন আকৰ্ষিত কৰাত সহায়ক** (Aids in attracting foreign capital) ঃ স্থিৰ বিত্তীয় বজাৰে বিনিয়োগকাৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰে। ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বিনিয়োগকাৰীসকলে মূলধন বজাৰত বিনিয়োগ আৰম্ভ কৰে। ফলস্বৰূপে ঘৰুৱা কোম্পানীবোৰৰ বাবে অধিক মূলধন উপলব্ধ হয়। তাৰ পিছত তেওঁলোকে এই মূলধন তেওঁলোকৰ ব্যৱসায় বিকাশ আৰু সম্প্ৰসাৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰে, যি তেওঁলোকক আন্তৰ্জাতিক বজাৰত অধিক প্ৰতিযোগিতামূলক কৰি তোলে।

১১) **অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশ** (Development of economic infrastructure) ঃ এখন দেশত অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশত বিত্তীয় বজাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিদ্যুৎ উৎপাদন, তেল আৰু গেছ, পৰিবহণ, দূৰসংযোগ আৰু ৰে'লৱেৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডবোৰে ৰেহাই হাৰত যথেষ্ট পুঁজি লাভ কৰে। এই খণ্ডসমূহৰ বিকাশে এখন দেশৰ অৰ্থনৈতিক বিকাশত যথেষ্ট অৰিহণা যোগায়।

১২) **চৰকাৰক সহায়** (Assistance to government) ঃ বিত্তীয় বজাৰসমূহেও চৰকাৰবোৰক বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰিবলৈ অনুমতি দিয়ে। এইটোৱে তেওঁলোকক ঘাটি ব্যয় অব্যাহত ৰাখিবলৈ সক্ষম কৰে। বিত্তীয় বজাৰৰ অনুপস্থিতিত চৰকাৰবোৰে ঘাটি ব্যয় অব্যাহত ৰাখিব নোৱাৰিব, যিটো কম সময়ৰ বাবে আন্তঃগাঁথনি প্ৰকল্পৰ বাবে পুঁজি যোগান ধৰাৰ বাবে গুৰুত্বপূৰ্ণ।

১৩) **পিছপৰা ক্ষেত্ৰৰ বিকাশ** (Developing backward areas) ঃ অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশ, ব্যৱসায়, বাণিজ্য আৰু উদ্যোগৰ সম্প্ৰসাৰণে এতিয়ালৈকে পিছপৰা অঞ্চলসমূহৰ বিকাশৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰে। এনেদৰে তেওঁলোকে দেশৰ সকলো অঞ্চলৰ সম বিকাশত অৰিহণা যোগায়।

ওপৰোক্ত আলোচনাটোৱে স্পষ্ট কৰে যে ঘৰুৱা সঞ্চয় একত্ৰিত কৰা আৰু এই পুঁজিবোৰ পোনপটীয়াকৈ উৎপাদনশীল বিনিয়োগলৈ ৰূপান্তৰ কৰাৰ বাবে বিত্তীয় ব্যৱস্থা মুখ্যতঃ দায়বদ্ধ। এখন দেশত বিত্তীয় স্থিৰতাত এক সুন্দৰ আৰু শক্তিশালী বিত্তীয় ব্যৱস্থা হৈছে এক মুখ্য অৰিহণা যোগোৱা কাৰক। বিত্তীয় ব্যৱস্থা অৰ্থনীতিৰ এটা উপসংহতি, এটা ভৱনৰ ভেটিৰ দৰে। অৰ্থনীতিৰ গোটেই গাঁথনিটো বিত্তীয় ব্যৱস্থাৰ বিভিন্ন উপাদানৰ দ্বাৰা নিৰ্মিত ভেটিৰ ওপৰত নিৰ্ভৰ কৰে।

——

## সাৰাংশ

- **বিত্তীয় ব্যৱস্থাৰ অৰ্থ—**

  বিত্তীয় ব্যৱস্থা হৈছে আন্তঃসম্পৰ্কিত কাৰ্যকলাপৰ এক সংহতি যি উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ ধন স্থানান্তৰ কৰাত সহায় কৰে। সৰল অৰ্থত, বিত্তীয় ব্যৱস্থাই বিনিয়োগকাৰীৰ পৰা ঋণ লওঁতালৈ পুঁজি স্থানান্তৰ কৰাত সহায় কৰে। "বিত্তীয় ব্যৱস্থা"ত "ব্যৱস্থা" শব্দটোৱে এখন দেশৰ অৰ্থনীতিৰ ভিতৰত জটিল আৰু ঘনিষ্ঠভাৱে সম্পৰ্কিত প্ৰতিষ্ঠান, প্ৰতিনিধি, প্ৰক্ৰিয়া, বজাৰ, লেনদেন, দাবী আৰু দেনাৰ এটা গোটক সূচায়।

- **বিত্তীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ—** ১) ৰাষ্ট্ৰীয় অৰ্থনীতিৰ উপাদান, ২) বিভাজন ৩) উপ ব্যৱস্থা ৪) সংযোগ স্থাপন ৫) বিত্তীয় সম্পদ ৬) তাৰল্যতা ৭) বিত্তীয় সম্পদৰ আৱণ্টন ৮) অৰ্থনৈতিক বিকাশত অৱদান।

- **বিত্তীয় ব্যৱস্থাৰ কাৰ্যসমূহ—**

  ১) **সঞ্চয়কৰ্তা আৰু বিনিয়োগকাৰীসকলৰ মাজত সম্পৰ্ক স্থাপন কৰা ঃ** বিত্তীয় ব্যৱস্থাৰ এটা গুৰুত্বপূৰ্ণ কাম হৈছে সঞ্চয়কৰ্তা আৰু বিনিয়োগকাৰীসকলক সংযোগ কৰা আৰু ইয়াৰ দ্বাৰা সঞ্চয়বোৰ কাৰ্যকৰী আৰু দক্ষতাৰে সংগ্ৰহ আৰু আৱণ্টন কৰাত সহায় কৰা।

  ২) **তাৰল্যতাৰ প্ৰৱৰ্ত্তন/ব্যৱস্থা ঃ** বিত্তীয় ব্যৱস্থাৰ মুখ্য কাম হৈছে তাৰল্যতা আৰু পুঁজিৰ সুৰক্ষা বৃদ্ধি কৰা।

  ৩) **পৰিশোধৰ সুবিধা প্ৰদান ঃ** এক দক্ষ পৰিশোধ প্ৰণালীয়ে সামগ্ৰী আৰু সেৱাবোৰ সময়মতে আৰু সুচাৰুৰূপে স্থানান্তৰ কৰাটো নিশ্চিত কৰে।

  ৪) **বিপদাংশকাৰ আৱণ্টন ঃ** ই সঞ্চয় সংগ্ৰহ কৰা আৰু ঋণ আৱণ্টন কৰাত অন্তৰ্ভুক্ত বিপদাশংকাবোৰ সীমিত কৰে।

৫) **তথ্য পৰিচালনা ঃ** বিত্তীয় ব্যৱস্থাই যথেষ্ট গুৰুত্বপূৰ্ণ তথ্য উপলব্ধ কৰে, যি সামগ্ৰিকভাৱে অৰ্থনীতিৰ কল্যাণৰ বাবে গুৰুত্বপূৰ্ণ।

৬) **দক্ষ মধ্যস্থতাকাৰী ঃ** বিত্তীয় ব্যৱস্থাই এজন দক্ষ মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে।

৭) **প্ৰকল্প বাছনিত সহায় কৰে ঃ** বিত্তীয় ব্যৱস্থাই পুঁজি যোগান ধৰিবলৈ সঠিক প্ৰকাৰৰ প্ৰকল্প বাছনি কৰাত সহায় কৰে।

৮) **লেনদেন আৰু ঋণৰ ব্যয় হ্ৰাস ঃ** বিত্তীয় ব্যৱস্থাই বিত্তীয় গাঁথনি সৃষ্টি কৰাত সহায় কৰে যি লেনদেনৰ ব্যয় হ্ৰাস কৰে।

৯) **দৰ আৱিষ্কাৰ ঃ** বিত্তীয় বজাৰত ব্যৱসায় কৰা বিভিন্ন বিত্তীয় দলীলৰ দৰ আৱিষ্কাৰৰ কাম বিত্তীয় বজাৰে সম্পাদন কৰে।

- **বিত্তীয় ব্যৱস্থাৰ উপাদানসমূহ—**

**ক) বিত্তীয় বজাৰ ঃ**

বিত্তীয় বজাৰ হৈছে এক বিত্তীয় ব্যৱস্থাৰ অন্যতম মুখ্য উপাদান যি উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ পুঁজিৰ চলাচলত সহায় কৰে। এইখন এখন বজাৰ য'ত বিভিন্ন ম্যাদৰ পুঁজি আৰু বিত্তীয় দলীলৰ ব্যৱসায় কৰা হয়।

বিত্তীয় বজাৰবোৰ বিভিন্ন শ্ৰেণীৰ অধীনত বিভক্ত কৰিব পাৰি। বহুলভাৱে বিত্তীয় বজাৰক নিম্নলিখিত ধৰণে বিভক্ত কৰিব পাৰি—

১) **মুদ্ৰা বজাৰ ঃ** মুদ্ৰা বজাৰ হৈছে বিত্তীয় বজাৰৰ এটা খণ্ড য'ত জাৰী কৰাৰ সময়ত এক বছৰ বা তাতকৈ কম ম্যাদপূৰ্তি বা পৰিশোধৰ তাৰিখ থকা বিত্তীয় লেনদেন কৰা হয়।

২) **মূলধনী বজাৰ ঃ** মূলধনী বজাৰ হৈছে বিত্তীয় বজাৰৰ এটা খণ্ড য'ত নিগম আৰু চৰকাৰৰ দ্বাৰা জাৰী কৰা দীৰ্ঘম্যাদী বিত্তীয় দলীলবোৰৰ লেনদেন কৰা হয়।

**খ) বিত্তীয় প্ৰতিষ্ঠানসমূহ ঃ**

যিকোনো প্ৰতিষ্ঠান যি ৰাজহুৱা সঞ্চয় গ্ৰহণ কৰে আৰু ইয়াক ষ্টক, বণ্ড, বেংক জমা, বা ঋণৰ দৰে সম্পত্তিত ব্যৱহাৰ কৰে, তাকে এক বিত্তীয় প্ৰতিষ্ঠান বুলি গণ্য কৰা হয়।

বিত্তীয় প্ৰতিষ্ঠানবোৰক নিম্নলিখিত দুটা বহল শ্ৰেণীত বিভক্ত কৰিব পাৰি—

### ১) বেংকিং প্ৰতিষ্ঠানসমূহ ঃ

বেংক হৈছে এক বিত্তীয় প্ৰতিষ্ঠান যি এজন ব্যক্তি বা ব্যৱসায়ৰ পৰা আন এজন ব্যক্তি বা ব্যৱসায়লৈ ধন স্থানান্তৰ কৰাত সহায় কৰে।

'ভাৰতীয় বেংকিং ৰেগুলেন আইন', ১৯৪৯ৰ ৫(খ) ধাৰা অনুসৰি "ঋণদান বা বিনিয়োগৰ উদ্দেশ্য জনসাধাৰণৰ পৰা গৃহীত আমানত জমাদাতা গ্ৰাহকৰ তাগিদামতে বা অন্য প্ৰকাৰে পৰিশোধ কৰা আৰু চেক, ড্ৰাফ্ট বা অন্য উপায়ে তাক উলিয়াই দিয়া কাৰ্যকে বেংকিং বোলে।" আকৌ, ধাৰা ৫(গ) অনুসৰি "বেংকিং কোম্পানী মানে তেনেকুৱা কোম্পানী যিয়ে ভাৰতত বেংকিং ব্যৱসায় কৰে"।

বেংকিং প্ৰতিষ্ঠানবোৰ বিভিন্ন প্ৰকাৰৰ যেনে— কেন্দ্ৰীয় বেংক, বাণিজ্যিক বেংক, সমবায় বেংক, ঔদ্যোগিক বেংক, বৈদেশিক বিনিময় বেংক ইত্যাদি।

### ২) অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানসমূহ ঃ

অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান হৈছে এক বিত্তীয় প্ৰতিষ্ঠান, যাৰ দেনা ঋণ নিষ্পত্তিৰ উপায় হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। বেংকিং প্ৰতিষ্ঠানবোৰৰ দৰে অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানে ৰাইজৰ পৰা জমা গ্ৰহণ কৰিব পাৰে আৰু ঋণ প্ৰদান কৰিব পাৰে।

### গ) বিত্তীয় দলীল ঃ

এটা বিত্তীয় ব্যৱস্থাত উপলব্ধ পুঁজিৰ স্থানান্তৰ বিত্তীয় দলীল ক্ৰয় আৰু বিক্ৰীৰ জৰিয়তে হয়। অৰ্থাৎ বিত্তীয় ব্যৱস্থাৰ এক উপাদান হিচাপে, বিত্তীয় দলীলবোৰে উদ্বৃত্ত ক্ষেত্ৰৰ পৰা ঘাটি ক্ষেত্ৰলৈ পুঁজিৰ চলাচল সহজ কৰে। বিত্তীয় দলীল হৈছে এক পক্ষৰ এক লিখিত আইনী বাধ্যবাধকতা যাৰ দ্বাৰা কিছুমান চৰ্তৰ অধীনত ভৱিষ্যতৰ কোনো তাৰিখত মূল্যৱান কিবা এটা সাধাৰণতে আন এটা পক্ষলৈ ধন স্থানান্তৰ কৰা হয়।

### বিত্তীয় দলীলৰ বৈশিষ্ট্যসমূহ—

১) বলৱৎযোগ্য চুক্তি ২) মূল্য স্থানান্তৰ ৩) মুদ্ৰাৰ সমপৰ্যায়ৰ সম্পদ ৪) বিপদাশংকা স্থানান্তৰ ৫) মানককৰণ ৬) সহজ স্থানান্তৰযোগ্যতা ৭) সাজু বজাৰ ৮) তাৰল্যতা ৯) জামিন মূল্যৰ অধিকাৰী ১০) কৰ ৰেহাই ১১) বিপদাশংকা বহন কৰে ১২) ভৱিষ্যৎ ব্যৱসায় উজু কৰে ১৩) কম সঞ্চালন ব্যয় ১৪) বিপদাশংকা আৰু আয় সমানুপতিক ১৫) ম্যাদৰ তাৰতম্য

**বিত্তীয় দলীলৰ শ্ৰেণীবিভাজন—**

১) **মূল্য নিৰ্ধাৰণৰ আধাৰত শ্ৰেণীবিভাজন—** (ক) নগদ দলীল (খ) গৌণ দলীল (ডেৰিভেটিভ প্ৰতিভূতি)

২) **সম্পদৰ শ্ৰেণীৰ আধাৰত শ্ৰেণীবিভাজন—** (ক) সম অধিকাৰী দলীল (খ) ঋণ দলীল (গ) বৈদেশিক বিনিময় দলীল

৩) **জাৰীকৰ্তাৰ আধাৰত শ্ৰেণীবিভাজন—** (ক) চৰকাৰী প্ৰতিভূতি (খ) ঔদ্যোগিক প্ৰতিভূতি

৪) **ম্যাদপূৰ্তিৰ আধাৰত শ্ৰেণীবিভাজন—** (ক) মুদ্ৰা বজাৰৰ দলীল (খ) মূলধনী বজাৰৰ দলীল

৫) **দলীলৰ মধ্যস্থতাকাৰীৰ আধাৰত শ্ৰেণীবিভাজন—**(ক) প্ৰাথমিক দলীল (খ) গৌণ দলীল

**ঘ) বিত্তীয় সেৱাসমূহ—**

বিত্তীয় সেৱাসমূহে বিত্ত উদ্যোগৰ দ্বাৰা প্ৰদান কৰা সেৱাসমূহক বুজায়। বিত্ত উদ্যোগটোৱে এক বিস্তৃত পৰিসৰৰ সংগঠনক অন্তৰ্ভুক্ত কৰে যি ধনৰ ব্যৱস্থাপনাৰ সৈতে মোকাবিলা কৰে। এই সংগঠনবোৰৰ ভিতৰত আছে বেংক, ক্ৰেডিট কাৰ্ড কোম্পানী, বীমা কোম্পানী, উপভোক্তা বিত্ত কোম্পানী, ষ্টক ব্ৰোকাৰেজ, বিনিয়োগ পুঁজি আৰু কিছুমান চৰকাৰী পৃষ্ঠপোষকতা কৰা উদ্যোগ।

বিত্তীয় সেৱা প্ৰদানকাৰীসকলে প্ৰয়োজনীয় পুঁজি প্ৰাপ্ত/আহৰণ কৰাত সহায় কৰে আৰু লগতে নিশ্চিত কৰে যে সেইবিলাক দক্ষতাৰে নিয়োজিত কৰা হৈছে। ক্ৰেডিট ৰেটিং, শংকাযুক্ত মূলধন, পাৰস্পৰিক নিধি (মিউচুৱেল ফাণ্ড), সদাগৰী বেংকিং, ডিপজিটৰী সেৱা, বুক বিল্ডিং আদি সেৱাও নিগম নিকায়বোৰৰ বাবে উপলব্ধ কৰা হয়।

গুৰুত্বপূৰ্ণ বিত্তীয় সেৱা প্ৰদানকাৰীসকলৰ ভিতৰত আছে লীজিং কোম্পানী, পাৰস্পৰিক নিধি (মিউচুৱেল ফাণ্ড হাউচ), সদাগৰী বেংকাৰ, পৰ্টফলিঅ' মেনেজাৰ, বিল বাট্টাকৰণ আৰু স্বীকৃতি ভৰন ইত্যাদি।

**ঙ) নিয়ামক সংস্থাসমূহ—**

বিত্তীয় ব্যৱস্থাত বিভিন্ন অংশগ্ৰহণকাৰীসকলক নিয়ন্ত্ৰণৰ কাম সংসদৰ বিভিন্ন আইনৰ অধীনত গঠন কৰা কিছুমান আইনী কৰ্তৃপক্ষক অৰ্পণ কৰা হৈছে। সেয়েহে এই বিধিবদ্ধ সংস্থাসমূহক বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে গণ্য কৰা হয়। দেশত দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ নিয়ামক সংস্থা আছে যেনে— ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদ (SEBI)।

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিত্তীয় ব্যৱস্থাৰ মুখ্য অংশটো নিয়ন্ত্ৰণ আৰু তত্বাৱধান কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰ্যবেক্ষকৰ ভূমিকাই বাণিজ্যিক বেংক, নগৰ সমবায় বেংক, কিছুমান বিত্তীয় প্ৰতিষ্ঠান আৰু অনা-বেংকিং বিত্তীয় কোম্পানীক সামৰি লয়। মূলধনী বজাৰ, মিউচুৱেল ফাণ্ড আৰু মূলধনী বজাৰৰ অন্যান্য মধ্যস্থতাকাৰীসকল ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

## এখন দেশৰ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ ভূমিকা

এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ ভূমিকা নিম্নলিখিত শিতানৰ অধীনত আলোচনা কৰিব পাৰি—

১) **মূলধন সংগঠন ঃ** বিত্তীয় ব্যৱস্থাই নাগৰিকসকলৰ হাতত উপলব্ধ অতিৰিক্ত পুঁজি বা সঞ্চয় সংগ্ৰহ কৰে আৰু এনেদৰে মূলধন গঠনত সহায় কৰে।

২) **বিনিয়োগৰ প্ৰৱৰ্তন ঃ** অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা হৈছে যে ই সঞ্চয়ক অৰ্থনীতিৰ বিভিন্ন উৎপাদনশীল ক্ষেত্ৰত প্ৰবাহিত হ'বলৈ উৎসাহিত কৰে।

৩) **ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ আধাৰত সঞ্চয় আৱণ্টন কৰা ঃ** বিত্তীয় ব্যৱস্থাই সঞ্চয়বোৰ অধিক দক্ষভাৱে আৱণ্টন কৰে যাতে ৰাষ্ট্ৰীয় নীতি অনুসৰি বিভিন্ন অগ্ৰাধিকাৰ খণ্ডৰ মাজত দুৰ্লভ মূলধন অধিক দক্ষতাৰে ব্যৱহাৰ কৰা হ'ব পাৰে।

৪) **উদ্যোগী প্ৰতিভাক উৎসাহিত কৰা ঃ** বিত্তীয় ব্যৱস্থাই উদ্যোগ আৰু বিপদাশংকা গ্ৰহণৰ ক্ষমতাৰ মনোভাৱ বৃদ্ধি কৰি উদ্যোগী প্ৰতিভাৰ বিকাশত উদগনি দিয়ে।

৫) **বিত্তীয় গভীৰতাকৰণ আৰু বিস্তৃতিকৰণ ঃ** এক সু-কাৰ্যকৰী বিত্তীয় ব্যৱস্থাই 'বিত্তীয় গভীৰতাকৰণ' (financial deepening) আৰু 'বিত্তীয় বিস্তৃতিকৰণ'ৰ (financial broadening) প্ৰক্ৰিয়াটো প্ৰৱৰ্তন কৰাত সহায় কৰে।

৬) **সূতৰ হাৰ স্থিৰকৰণ ঃ** এক সু-বিকশিত বিত্তীয় ব্যৱস্থাই চাহিদা আৰু যোগান দুয়োটা দিশত বিভিন্ন অংশগ্ৰহণকাৰীৰ মাজত স্বাস্থ্যকৰ প্ৰতিযোগিতা তৈয়াৰ কৰে। বিত্তীয় ব্যৱস্থাৰ কাৰ্যকুশলতাৰ বাবে সমগ্ৰ দেশতে সূতৰ হাৰ একেই থাকে।

৭) **ব্যৱসায় আৰু বাণিজ্য খণ্ডৰ বিকাশ ঃ** এক দক্ষ পৰিশোধ প্ৰণালী প্ৰদান কৰি বিত্তীয় ব্যৱস্থাই সামগ্ৰী

আৰু সেৱাৰ সময়মতে আৰু সুচাৰুৰূপে স্থানান্তৰ নিশ্চিত কৰে যি এখন দেশৰ অৰ্থনীতিত ব্যৱসায় আৰু বাণিজ্য খণ্ডৰ বিকাশত অৰিহণা যোগায়।

৮) **নিয়োগ সৃষ্টি ঃ** বিত্তীয় ব্যৱস্থাই ব্যৱসায় আৰম্ভ কৰিব বিচৰা বা তেওঁলোকৰ বিদ্যমান ব্যৱসায় সম্প্ৰসাৰিত কৰিব বিচৰা উদ্যোগীসকলক মূলধন প্ৰদান কৰে। ইয়াৰ ফলস্বৰূপে অৰ্থনীতিত যথেষ্ট নিয়োগৰ সুযোগ সৃষ্টি হয়।

৯) **ৰাষ্ট্ৰীয় বাণিজ্যৰ সম্প্ৰসাৰণ ঃ** আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰক্ৰিয়াত বিত্তীয় ব্যৱস্থাই এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

১০) **বিদেশী মূলধন আকৰ্ষিত কৰাত সহায়ক ঃ** স্থিৰ বিত্তীয় বজাৰে বিনিয়োগকাৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰে। ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বজাৰৰ বিনিয়োগকাৰীসকলে মূলধন বজাৰত বিনিয়োগ আৰম্ভ কৰে। ফলস্বৰূপে ঘৰুৱা কোম্পানীবোৰৰ বাবে অধিক মূলধন উপলব্ধ হয়।

১১) **অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশ ঃ** এখন দেশত অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশত বিত্তীয় বজাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

১২) **চৰকাৰক সহায় ঃ** বিত্তীয় বজাৰসমূহেও চৰকাৰবোৰক বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰিবলৈ অনুমতি দিয়ে।

১৩) **পিছপৰা ক্ষেত্ৰৰ বিকাশ** (Developing backward areas) ঃ অৰ্থনৈতিক আন্তঃগাঁথনিৰ বিকাশ, ব্যৱসায়, বাণিজ্য আৰু উদ্যোগৰ সম্প্ৰসাৰণে এতিয়ালৈকে পিছপৰা অঞ্চলসমূহৰ বিকাশৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টি কৰে।

**গোট - ১**

## <u>প্ৰশ্নাৱলী</u>

১) **শুদ্ধ উত্তৰটো লিখা।** প্ৰতিটোত ১ নম্বৰ

(ক) নিম্ন লিখিত কোনটো পক্ষই ভাৰতত মুদ্ৰা বজাৰ নিয়ন্ত্ৰণ কৰে।

i) ভাৰতীয় ৰিজাৰ্ভ বেংক।

ii) ভাৰতীয় প্ৰতিভূতি বিনিময় পৰিষদ।

iii) বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকৰণ।

iv) বিত্ত মন্ত্ৰালয়।

খ) উন্নয়ন বিত্তীয় প্ৰতিষ্ঠানবোৰ হৈছে ব্যৱসায় এটাৰ বাবে হ্ৰস্বম্যাদী পুঁজিৰ মুখ্য উৎস।

(বিবৃতিটো সঁচা নে মিছা উল্লেখ কৰা)

গ) বাণিজ্যিক পত্ৰ হৈছে মুদ্ৰা বজাৰৰ এক সঁজুলি।

(বিবৃতিটো সঁচা নে মিছা উল্লেখ কৰা)

ঘ) ট্ৰেজাৰী বিলবোৰ ............................ বিলি কৰে (খালী ঠাই পূৰণ কৰা)।

২) **নিম্নলিখিত প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ** প্ৰতিটোত ২ নম্বৰ

ক) বিত্ত কাক বোল।

খ) ব্যক্তিগত বিত্ত কাক বোল।

গ) ৰাজহুৱা বিত্ত কাক বোল।

ঘ) নিগম বিত্ত কাক বোল।

ঙ) বিত্তৰ দুটা উৎসৰ নাম লিখা।

চ) বিত্তীয় সেৱাৰ দুটা উদাহৰণ দিয়া।

ছ) মূলধনী বজাৰৰ যিকোনো দুটা দলীলৰ নাম লিখা।

জ) মুদ্ৰা বজাৰ কাক বোলে।

ঝ) মূলধনী বজাৰ কাক বোলে।

৩) **নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ (প্ৰায় ২০০ টা শব্দত) লিখা।** প্ৰতিটোত ৫ নম্বৰ

ক) বিত্তৰ বিভিন্ন কাৰ্যৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

খ) বিভিন্ন প্ৰকাৰৰ বিত্তৰ ওপৰত এটা চমু টোকা লিখা।

গ) বেংক আৰু অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানৰ মাজত পাৰ্থক্য লিখা।

ঘ) বিত্তীয় ব্যৱস্থাৰ কামবোৰৰ ওপৰত এক চমু টেকা লিখা।

৪) **দীঘলীয়া উত্তৰৰ প্ৰশ্ন ঃ** প্ৰতিটোত ৮ নম্বৰ

ক) ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বিত্তৰ বিভিন্ন উৎসৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰা।

খ) বিত্তীয় ব্যৱস্থাৰ বিভিন্ন উপাদানবোৰ আলোচনা কৰা।

গ) এখন দেশৰ অৰ্থনৈতিক বিকাশত বিত্তীয় ব্যৱস্থাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

——

গোট - ২

# বেংকৰ অৰ্থ আৰু বিভিন্ন প্ৰকাৰৰ বেংক
# (MEANING AND DIFFERENT TYPES OF BANKS)

**বেংকৰ অৰ্থ আৰু বিভিন্ন প্ৰকাৰৰ বেংক**

বেংকৰ অৰ্থ, সংজ্ঞা আৰু বৈশিষ্ট্য।

বিভিন্ন প্ৰকাৰৰ বেংক—

কেন্দ্ৰীয় বেংক— অৰ্থ, বৈশিষ্ট্য আৰু কাৰ্য।

বাণিজ্যিক বেংক— অৰ্থ, প্ৰাথমিক কাৰ্য, গৌণ কাৰ্য আৰু আধুনিক কাৰ্য।

বিনিময় / বিদেশী বেংক— অৰ্থ আৰু কাৰ্য।

আঞ্চলিক গ্ৰাম্য বেংক— অৰ্থ, উদ্দেশ্য আৰু কাৰ্য।

বিনিয়োগ বেংক— অৰ্থ আৰু কাৰ্য।

উন্নয়ন বেংক— অৰ্থ, বৈশিষ্ট্য আৰু কাৰ্য।

ৰপ্তানি-আমদানি বেংক— অৰ্থ আৰু কাৰ্য।

সমবায় বেংক— অৰ্থ আৰু বৈশিষ্ট্য।

কৃষি বেংক— অৰ্থ আৰু কাৰ্য।

ভূমি উন্নয়ন বেংক, সঞ্চয় বেংক আৰু আন্তৰাষ্ট্ৰীয় বেংকৰ অৰ্থ।

বাণিজ্যিক বেংক আৰু উন্নয়ন বেংক, কেন্দ্ৰীয় বেংক আৰু
বাণিজ্যিক বেংক আৰু বাণিজ্যিক বেংক আৰু সমবায় বেংকৰ মাজত পাৰ্থক্য।

**শিকনৰ উদ্দেশ্য ঃ**

এই গোটৰ অন্তৰ্গত বিষয়সমূহ অধ্যয়ন কৰাৰ পিছত শিক্ষাৰ্থীয়ে—

- বেংকৰ অৰ্থ, সংজ্ঞা আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব।
- বিভিন্ন প্ৰকাৰৰ বেংকসমূহৰ অৰ্থ আৰু কাৰ্যসমূহ বুজিব পাৰিব।
- বাণিজ্যিক বেংক আৰু উন্নয়ন বেংক, কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংক আৰু বাণিজ্যিক বেংক আৰু সমবায় বেংকৰ মাজত পাৰ্থক্যসমূহ জানিব পাৰিব।